# ২০২৫-২০২৬ বৰ্ষৰ এথলেটিক্‌ছ শাখাৰ বাৰ্ষিক প্ৰতিবেদন

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি, সাধাৰণ সম্পাদক আৰু অন্যান্য সকলো বিষয়ববীয়াসকল প্ৰথমতে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

নগাওঁ ক্ৰীড়া সংস্থাৰ এথলেটিক্‌ছ শাখাৰ দায়িত্বত থাকি ইয়াৰ উন্নতিকল্পে যিখিনি চেষ্টা কৰিছোঁ, সেইয়া আপোনালোকৰ বিচাৰ্য।

নগাঁও ক্ৰীড়া সংস্থাত দৈনিক অনুশীলনৰ বাবে নাম ভৰ্তি চলি আছে। এন. আই. এছ. প্ৰশিক্ষক শ্ৰীপ্ৰিয়তম সিঙৰ তত্বাৱধানত সুন্দৰভাৱে দৈনিক প্ৰশিক্ষণত যথেষ্ট সংখ্যক ল'ৰা আৰু ছোৱালীয়ে প্ৰশিক্ষণ লৈ আছে।

এই বৰ্ষত নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত ২৫ আৰু ২৬ মাৰ্চ, ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা ৫ম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহৰ এথলেটিক্‌ছ লীগত মুঠ ১৮ টা ক্লাৱে অংশগ্ৰহণ কৰিছিল আৰু যথেষ্ট সংখ্যক খেলুৱৈয়ে অংশগ্ৰহণ কৰে আৰু লগতে উন্নত প্ৰদৰ্শণ কৰিবলৈ সক্ষম হয়। এই লীগত অম্লান গোষ্ঠীয়ে প্ৰথম স্থান, জে. বি. ক্লাৱে দ্বিতীয় স্থান আৰু নগাঁও টাউন ক্লাৱে তৃতীয় স্থান লাভ কৰে।

ছত্তিশগড়ত অনুষ্ঠিত হোৱা প্ৰথম খেল' ইণ্ডিয়া ট্ৰাইবেল গেমছ, ২০২৬ ত ১১০ মিটাৰ Hurdle ইভেন্টত ত্ৰৈলোক্য মচৰঙে সোনৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

নগাঁৱৰ গৌৰৱ পাহী কেওতে ইষ্ট জ'ন নেশ্বনেল শ্বেম্পিয়নশ্বিপ ২০২৫ ত ৫০০০ মিটাৰ আৰু ১৫০০ মিটাৰ এথলেটিক্‌ছ প্ৰতিযোগিতাত সোনৰ পদক আৰু ২০২৫ চনৰ আন্তঃজিলা এথলেটিক্‌ছ প্ৰতিযোগিতাত ৫০০০ মিটাৰ আৰু ১৫০০ ইভেণ্টত সোনৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

মই চিৰকৃতজ্ঞ যে এথলেটিক্‌ছৰ নিচিনা শাখা এটাৰ গুৰু দায়িত্ব দি বিশেষভাৱে সহায় কৰা সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু আগলৈকো তেনেকৈ সহায় কৰিবলৈ মই অনুৰোধ জনালো।

সদৌ শেষত নগাওঁ ক্ৰীড়া সংস্থাৰ এথলেটিক্‌ছ শাখাৰ উন্নতি কামনা কৰাৰ লগতে নগাওঁ ক্ৰীড়া সংস্থাৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতেই সামৰিলো।

নগাওঁ ক্ৰীড়া সংস্থা দীৰ্ঘজীৱী হওঁক।

**প্ৰনৱ বৰদলৈ**
**শাখা সম্পাদক, এথলেটিক্‌ছ**
**নগাওঁ ক্ৰীড়া সংস্থা,**
**নগাওঁ ঃঃ অসম।**